# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 04-01-2026
**Time :** 1800 Hrs.

## *Assamese Evening Bulletin*
## HEADLINES

১।	ডিব্ৰুগড়ত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ কনভয় দুৰ্ঘটনাৰ সন্মুখীন। ৬ জন লোক আহত।

২।	সমাগত বিধানসভা নিৰ্বাচনৰ বাবে বিজেপি সম্পূৰ্ণৰূপে সাজু বুলি অসম প্ৰদেশ বিজেপিৰ নিৰ্বাচন প্ৰবন্ধন সমিতিৰ আহ্বায়ক তথা লক্ষিমপুৰৰ সাংসদ প্ৰদান বৰুৱাৰ মন্তব্য।

৩।	স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ মন্ত্ৰী অশোক সিংহলৰ  ধেমাজিৰ জোনাই সমষ্টিত ৩ খন নতুন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু ৩ খন উপ স্বাস্থ্য কেন্দ্ৰৰ আধাৰশিলা স্থাপন।

*আৰু*

৪।	অসম চৰকাৰৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৰে ধেমাজিত ২০২৫-২৬ বৰ্ষৰ ৰাজ্যিক অগ্ৰাধিকাৰ ভিত্তিক উন্নয়নৰ পুজিৰ অধীনত  কেইবাটাও পথৰ আধাৰশিলা স্থাপন।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ কনভয় আজি ডিব্ৰুগড়ত এটা দুৰ্ঘটনাত পতিত হয়। শ্ৰীসোণোৱাল ওপজা গাঁও বিন্ধাকটালৈ গৈ থকা অৱস্থাত চাবুৱাৰ হাতীআলি বাইপাছত দুৰ্ঘটনাটো সংঘটিত হয়। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী গৈ থকা অৱস্থাত কনভয়টোৰ এখন গাড়ীয়ে পথৰ দাঁতিত ৰখাই থোৱা এখন ব্যক্তিগত বাহনত খুন্দা মৰাৰ ফলতেই দুৰ্ঘটনাটো সংঘটিত হয়। ঘটনাত দুজন সাধাৰণ নাগৰিক আহত হোৱাৰ লগতে ৪ গৰাকী আৰক্ষী আহত হয়। আহত কেইজনক ততাতৈয়াকৈ ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। আহত আটাইকেইজন বৰ্তমান সংকটমুক্ত বুলি আৰক্ষীয়ে জানিবলৈ দিছে।

০০০০০০০

অসম প্ৰদেশ বিজেপিৰ ২০২৬ৰ বিধানসভা নিৰ্বাচন প্ৰবন্ধন সমিতিৰ আহ্বায়ক তথা লক্ষিমপুৰৰ সাংসদ প্ৰদান বৰুৱাই সমাগত বিধানসভা নিৰ্বাচনৰ বাবে দলটো সম্পূৰ্ণৰূপে সাজু বুলি মন্তব্য কৰিছে। ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় অটল  বিহাৰী বাজপেয়ী ভৱনত আজি এখন সংবাদমেলত শ্ৰীবৰুৱাই কয়, যে ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টি আৰু পঞ্চায়তত বিজেপিৰ নিৰ্বাচন  প্ৰবন্ধন সমিতি গঠন কৰা হৈছে।

০০০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ মন্ত্ৰী অশোক সিংহলে আজি ধেমাজিৰ জোনাই সমষ্টিত ৩ খন নতুন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু ৩ খন উপ স্বাস্থ্য কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। ৰাজ্যত তৃণমূল পৰ্যায়ত স্বাস্থ্য সেৱা উন্নত কৰি তোলাৰ লক্ষ্যৰে ২ কোটি ৪৩ লাখ টকা ব্যয় সাপেক্ষে এই প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু উপ

স্বাস্থ্য কেন্দ্ৰ কেইটাৰ আধাৰশিলা স্থাপন কৰা হৈছে। ইয়াৰ ভিতৰত জোনাইৰ নপাম কুলি, চমকং আৰু গালি স্বাস্থ্য কেন্দ্ৰৰ লগতে কাকবাৰী আৰু কদমতল উপস্বাস্থ্য কেন্দ্ৰ আছে। ভাষণ প্ৰসংগত স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৰল নেতৃত্বত সুস্থ অসম গঢ়াৰ বাবে প্ৰচেষ্টা অব্যাহত আছে। স্বাস্থ্যবান পৰিয়াল, স্বাস্থ্যবান সমাজৰ আধাৰ বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে এনে সমাজে এখন শক্তিশালী ৰাজ্য গঠনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ৰাজ্যত বৰ্তমান চিকিৎসা মহাবিদ্যালয়সমূহৰ পৰা বছৰি ভালেসংখ্যক চিকিৎসক সৃষ্টি হৈছে আৰু ইয়াৰ জৰিয়তে চিকিৎসকৰ নাটনিৰ সমস্যা প্ৰায় সমাধান হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত কৰ্মচাৰীসকলৰ সমস্যাসমূহো আলোচনাৰ মাধ্যমেৰে সমাধানৰ আশ্বাস দিয়ে।

-বাইট-

শ্ৰীসিংহলে আজি ডিব্ৰুগড় জিলাৰ টিংখাং প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰো আধাৰশিলা স্থাপন কৰে। এই স্বাস্থ্য কেন্দ্ৰটোত বহিঃৰোগ কক্ষ, জৰুৰীকালীন কক্ষ, পেথলেবকে ধৰি প্ৰায়বোৰ উন্নত মানৰ সুবিধা উপলব্ধ হ'ব।

০০০০০০০

অসম চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যান বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজিত ২০২৫-২৬ বৰ্ষৰ ৰাজ্যিক অগ্ৰাধিকাৰ ভিত্তিক উন্নয়নৰ পুজিৰ অধীনত কেইবাটাও পথৰ আধাৰশিলা স্থাপন কৰে। ধেমাজি লক্ষীপথাৰ, বিষ্ণুপুৰ, হাতীগড়কে ধৰি সমষ্টিটোৰ বিভিন্ন প্ৰান্তত প্ৰায় ৬ কোটি টকা ব্যয় সাপেক্ষে মুঠ ১৩ টা নতুন পথ নিৰ্মাণ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ডাঃ পেগুৱে নাবাৰ্ডৰ গ্ৰাম্য আন্তঃগাথনি উন্নয়ন পুজিৰ দ্বাৰা অনুমোদিত মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনিৰ অধীনত ধেমাজি অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পথৰ পৰা ফৰেষ্টগেট বাগিচা সংযোগী পথৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰে। তেওঁ লগতে ধেমাজিৰ টেলিজান বুতিকুৰ পথৰ পৰা দেউৰীবিল ষ্টেডিয়াম সংযোগী পথৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীৰ নেতৃত্বত ৰাজ্য চৰকাৰে গ্ৰাম্য আন্তঃগাথনি উন্নয়নক অগ্ৰাধিকাৰ দি নিৰ্মাণ কৰিবলৈ লোৱা এই পথসমূহে যাতায়াত সুগম কৰি শিক্ষাৰ্থী, খেলুৱৈ তথা জনসাধাৰণক উপকৃত কৰিব বুলি ডাঃ পেগুৱে মন্তব্য কৰে।

০০০০০০০

নগাঁও জিলাৰ কলিয়াবৰৰ কুঁৱৰীটোলত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সোনালী জয়ন্তী সমাৰোহ আৰু দ্বি-বাৰ্ষিক অধিৱেশন চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। ড° শীলা বৰঠাকুৰ ক্ষেত্ৰত আজি তৃতীয় দিনাৰ প্ৰথম মুকলি সভাত ছট্টিশগড়ৰ ৰাজ্যপাল ৰমেন ডেকাৰ লগতে পত্নী ৰাণী ডেকা কাকতিয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী সূৰ্বণ শইকীয়া বৰদলৈৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখন স্থানীয় বিধায়ক তথা ৰাজ্য চৰকাৰৰ ৰাজহ মন্ত্ৰী কেশৱ মহন্তই উদ্বোধন কৰে। আজিৰ এই সভাতেই সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে মন্ত্ৰী কেশৱ মহন্তক "কৰ্মজ্যোতিষ্মান" উপাধি প্ৰদান কৰে। ৰাজ্যপাল ৰমেন ডেকাই মাতৃ চম্পাৱতী ডেকাৰ সোঁৱৰণত হাজোৰ সুৰেন দাস মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা নন্দিতা চলিহালৈ "সাৰস্বত সাধনা বঁটা" প্ৰদান কৰি আমাৰ সাংবাদিকৰ আগত এইদৰে কয়-

*Byte: ৰমেন ডেকা, ৰাজ্যপাল, ছট্টিশগড়*

আজিৰ মুকলি সভাতে সদৌ অসম লেখিকা সমাৰোহ সমিতি য়ে প্ৰতিবছৰে আগবঢ়োৱা কাব্য ভাৰতী নলিনীবালা দেৱী বঁটা , চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা , লেখিকা সমাৰোহ সাহিত্য বঁটাকে ধৰি ৪২টাকৈ বঁটা শিক্ষা তথা সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনলৈ বিশেষভা ৱে সেৱা আগবঢ়োৱা ব্যক্তিক প্ৰদান কৰা হয়।

০০০০০০০

এই সভাতে আজি নাট্যকাৰ-পৰিচালক তথা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অনুষ্ঠান কাৰ্যবাহী ঋতুপৰ্ণ দাসকো কৃষ্ণ ৰায় মেধি নাট্য সাহিত্য শিল্পী বঁটা প্ৰদান কৰা হয়।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই আজি শিৱসাগৰ নগৰৰ দিখৌ দলঙৰ সমীপত নিৰ্মাণ কৰা চিলাৰায় ভৱনটি উদ্বোধন কৰে। কোচ ৰাজবংশী উন্নয়ন পৰিষদৰ অৰ্থ সাহায্যৰে প্ৰায় ২ কোটি ১০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ভৱনটো বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু প্ৰশাসনিক কাৰ্যসূচীৰ বাবে ব্যৱহাৰ কৰা হ'ব। উদ্বোধনী অনুষ্ঠানত দিমৌ সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই, কোচ ৰাজবংশী উন্নয়ন বোৰ্ডৰ অধ্যক্ষ প্ৰণৱ নাৰায়ণ দেৱৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

০০০০০০০

যোৰহাট জিলাৰ তিতাবৰৰ বৰচৈকটা চাহ বাগিচাত বনৰীয়া গছৰ গুটি খাই কালি ১৩টি শিশু চিকিৎসাধীন হয়। আমাৰ সংবাদাতাই জনোৱা অনুসৰি শিশুকেইটাই মনিচালৰ গুটি সেৱন কৰাৰ বাবে বিষক্ৰিয়া সংঘটিত হয়। শিশুকেইটাক নিশাই যোৰহাট চিকিৎসা মহাবিদ্যাল হাস্পতালত ভৰ্তি কৰোৱা হয়। ইয়াৰে ১২টা শিশুক সংকট মুক্ত বুলি চিকিৎসকে জানিবলৈ দিছে যদিও এটা শিশু বৰ্তমানো চিকিৎসাধীন হৈ আছে।

০০০০০০০

মাজুলীৰ কৰতিপাৰ মিলন নাট্য সমিতিৰ উদ্যোগত আৰু কৰতিপাৰবাসী ৰাইজৰ সহযোগত নাট্য সমিতিৰ প্ৰেক্ষাগৃহত শিক্ষাবিদ হৰেন্দ্ৰ নাথ ভৰালীৰ ত্যাগ আৰু আদৰ্শ শীৰ্ষক এখন বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। মাজুলী শৈক্ষিক উত্তৰণত বিশিষ্ট ভূমিকা পালন কৰা, মাজুলী মহাবিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাপক, কৰতিপাৰ হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক, শিক্ষাবিদ হৰেন্দ্ৰ নাথ ভৰালীৰ পৱিত্ৰ সোঁৱৰণত অনুষ্ঠিত এই বক্তৃতানুষ্ঠানখনিৰ সঞ্চালনা কৰে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই।

০০০০০০০

**সমাপ্ত**